Total number of printed pages–4

1 (Sem–4/AR) ASS 1 (A)

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam

2026

ASSAMESE

(Major/Minor–1)

Paper : ASS0400104

(ভাষাবিজ্ঞান পৰিচয়)

Full Marks : 60

Time : 2½ hours

The figures in the margin indicate full marks for the questions.

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক কি?

(খ) *A Study on Kamrupi : A Dialect of Assamese* গ্ৰন্থখন কোনে লিখিছিল?

(গ) পৃথিবীৰ সৰ্ববৃহৎ ভাষা পৰিয়ালটোৰ নাম লিখা।

(ঘ) 'ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে'। ভাষা সম্পৰ্কে এই সূত্ৰটো কোনে দাঙি ধৰিছিল?

(ঙ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থপূৰ্ণ গোটটোক কি বুলি কোৱা হয়?

(চ) অসমীয়া ভাষাৰ এটা মহাপ্ৰাণ ধ্বনিৰ উদাহৰণ দিয়া।

(ছ) ধ্বনি কিহৰ দ্বাৰা উচ্চাৰিত হয়?

(জ) উপধ্বনি (Allophone) কি?

২। চমু উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) প্ৰায়োগিক ভাষা বিজ্ঞানৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ *দুটা* পাৰ্থক্য লিখা।

(গ) ভাষাৰ *দুটা* বৈশিষ্ট্য লিখা।

(ঘ) কোনে কেতিয়া ইণ্ডোইউৰোপীয় ভাষা পৰিয়ালক কেন্টুম আৰু শতম্ শাখাত শ্ৰেণীবিভাগ কৰিছিল?

(ঙ) "এটা সম্পূৰ্ণ ভাব প্ৰকাশক বাক্য গঠন কৰিবলৈ বাক্যত *দুটা* প্ৰধান উপাদানৰ আৱশ্যক।" উপাদান *দুটা* কি কি?

(চ) লিওনার্ড ব্লুম ফিল্ডে কোৱা বাক্যৰ *দুই* প্ৰকাৰৰ গঠন কি কি?

(ছ) আকৃতিৰ পৰা প্ৰাকৃতি নিৰ্ণয়ৰ ক্ষেত্ৰত অৱলম্বন কৰা *দুটা* পদ্ধতিৰ নাম লিখা।

(জ) উপভাষা সৃষ্টিৰ *দুটা* কাৰণ উল্লেখ কৰা।

(ঝ) উপাকৃতি কাক বোলে?

(ঞ) ভাষা পৰিয়াল বহির্ভূত *দুটা* ভাষাৰ নাম লিখা।

Anandaram Dhekial Phukan College Library
Acc. No.
Date
Nagaon : Assam

চমুকৈ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) ভাষা সৃষ্টিৰ সূত্ৰসমূহ উল্লেখ কৰি যিকোনো সূত্ৰ এটাৰ বিষয়ে লিখা।

(খ) মিশ্ৰিত ভাষাৰ বিষয়ে চমুকৈ লিখা।

(গ) অসমীয়া ভাষাৰ উদাহৰণ দি ক্ৰিয়াৰূপৰ সৰ্গৰ বিষয়ে চমু টোকা লিখা।

(ঘ) ধ্বনিৰ প্ৰয়োগ কেই প্ৰকাৰ আৰু কি কি? প্ৰতিবিধৰে উদাহৰণসহ আলোচনা কৰা।

(ঙ) ধ্বনি পৰিৱৰ্তনৰ *যিকোনো তিনিটা* কাৰণ বৰ্ণনা কৰা।

(চ) ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজৰ পাৰ্থক্য নিৰূপণ কৰা।

(ছ) সমাজ ভাষাবিজ্ঞান সম্পৰ্কে চমুকৈ লিখা।

(জ) বাক্য গঠনৰ বাবে পদৰ কেনেধৰণৰ আকাংক্ষাৰ প্ৰয়োজন হয়, চমুকৈ লিখা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো দুটা)* ১০×২=২০

(ক) ভাষাবিজ্ঞান কাক বোলে? ভাষাবিজ্ঞানৰ অধ্যয়নৰ স্তৰ কেইটা আৰু কি কি? *যিকোনো এটা* স্তৰৰ পৰিচয়মূলক টোকা লিখা।

(খ) উপভাষা কাক বোলে? উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাসমূহ আলোচনা কৰা।

(গ) ধ্বনি বিজ্ঞানৰ আলোচ্য বিষয় কি? ধ্বনি বিজ্ঞানৰ অধ্যয়নৰ প্ৰকৃতি বা স্বৰূপলৈ লক্ষ্য ৰাখি কেইটা বিভাগত ভাগ কৰা হৈছে, প্ৰত্যেক বিভাগৰ চমু পৰিচয় দিয়া।

(ঘ) সৰ্গ কাক বোলে? প্ৰয়োগৰ অৱস্থান অনুসৰি সৰ্গক কেইটা ভাগত ভাগ কৰা হৈছে, প্ৰত্যেকটো বিভাগৰ বিষয়ে আলোচনা কৰা।

(ঙ) জগতৰ ভাষা-পৰিয়ালবোৰৰ ভিতৰত কোনটো ভাষা পৰিয়ালক মহান আখ্যা দিয়া হয়? মহান বোলাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

Hiranyaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam